**2014**

ASSAMESE

( Major )

Paper : 3.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

তলৰ যি কোনো এটা শাখাৰ উত্তৰ কৰিবাঁ

**ক—শাখা**

**( শংকৰদেৱ )**

১। তলৰ প্ৰশ্নবোৰৰ অতি চমুকৈ উত্তৰ কৰিবাঁ : ১×১০=১০

(ক) 'অজামিল' উপাখ্যানৰ মূল উৎস গ্ৰন্থ কি?

(খ) প্ৰহ্লাদৰ পিতৃ কোন আছিল?

(গ) ভাগৱতৰ ৰাস পঞ্চাধ্যায়ৰ পৰা লোৱা খণ্ডটো কীৰ্তন পুথিত কি নামেৰে নামকৰণ কৰা হৈছে?

(ঘ) 'ৰুক্মিণী-হৰণ' কাব্যৰ এখন উৎস গ্ৰন্থ 'ভাগৱত পুৰাণ', আনখন পুৰাণ কি আছিল?

(ঙ) ৰুক্মিণীৰ ধাইগৰাকীৰ নাম কি আছিল ?

(চ) বৰগীতক দেৱেন্দ্ৰনাথ বেজবৰুৱাই কি নাম দিছিল ?

(ছ) অমৰাৱতীত সত্যভামাই কাৰ লগত দ্বন্দ্বত লিপ্ত হৈছিল ?

(জ) মহেশ্বৰ নেওগৰ মতে শঙ্কৰদেৱৰ বৰগীতৰ সংখ্যা কিমান ?

(ঝ) 'শুন শুন ৰে সুৰ' শীৰ্ষক গীতটোত সুৰবৈৰী বুলি কাক কোৱা হৈছে ?

(ঞ) শঙ্কৰদেৱৰ নাটসমূহৰ ভিতৰত আটাইতকৈ কলেৱৰবিশিষ্ট নাট কোনখন ?

২। চমুকৈ উত্তৰ কৰিবাঁ : ২×৫=১০

(ক) অজামিল জাতত কি আছিল আৰু কনিষ্ঠ পুত্ৰৰ নাম কি আছিল ?

(খ) চাৰিসিদ্ধ কাৰ তনয় আৰু সিহঁতৰ প্ৰত্যেকৰে বয়স কিমান আছিল ?

(গ) 'সাৰঙ্গপাণি পাহে পামৰ মতি হামি' শীৰ্ষক গীতটো কি বিষয়ক গীতৰ শাৰীত পৰে আৰু গীতটো কি ৰাগত বন্ধা ?

(ঘ) 'ৰুক্মিণী-হৰণ' কাব্যৰ মূল উৎস গ্ৰন্থ কি কি ?

(ঙ) শ্ৰীকৃষ্ণই পাৰিজাত ফুল কোনগৰাকী পত্নীক দিছিল আৰু নাৰদৰ মুখে সেই কথা জানি কোনগৰাকী পত্নীৰ অভিমান জাগিছিল ?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰিবাঁ : ৫×৪=২০

(ক) কীৰ্তনৰ 'স্যমন্তহৰণ' খণ্ডটোৰ কথাখিনি তোমাৰ ভাষাৰে দাঙি ধৰাঁ।

(খ) 'ইটো ৰাসক্ৰীড়া কেলি নামে কামজয়' বুলি কোৱাৰ কাৰণসমূহ দাঙি ধৰাঁ।

(গ) 'মধুৰ মুৰুতি মূৰাৰু' শীৰ্ষক বৰগীতটিৰ মাজেৰে শ্ৰীকৃষ্ণৰ আৱয়বিক ৰূপটো কিদৰে ফুটি উঠিছে, তোমাৰ ভাষাৰে দাঙি ধৰাঁ।

(ঘ) বৰগীতৰ যি কোনো দুটা বৈশিষ্ট্য ফঁহিয়াই লিখাঁ।

(ঙ) 'ৰুক্মিণী-হৰণ' কাব্যত ৰুক্মিণীৰ চৰিত্ৰটো কিদৰে চিত্ৰিত হৈছে, চমুকৈ আলোচনা কৰাঁ।

(চ) 'ভক্তি মাহাত্ম্যক' খণ্ড হিচাপে কীৰ্তনৰ 'প্ৰহ্লাদ চৰিত্ৰ' খণ্ডটো বিচাৰ কৰাঁ।

(ছ) 'পাৰিজাত হৰণ' নাটৰ নাৰদ চৰিত্ৰটো বিশ্লেষণ কৰাঁ।

৪। (ক) " 'কীৰ্ত্তন-ঘোষা' এক স্বতন্ত্ৰ শ্ৰেণীৰ সাহিত্য।" সমালোচকৰ এই মন্তব্যৰ আধাৰত কীৰ্তনৰ সাহিত্যিক দিশসমূহ আলোচনা কৰাঁ। ১০

*নাইবা*

(খ) কীৰ্তনৰ 'অজামিল উপাখ্যান' খণ্ডৰ মাজেৰে নাম মাহাত্ম্যৰ কিদৰে প্ৰকাশ ঘটিছে, আলোচনা কৰাঁ।

৫। (ক) বৰগীতসমূহক শংকৰদেৱে কি বুলিছিল? তোমাৰ পাঠ্যৰ অন্তৰ্গত বৰগীতসমূহৰ কথাবস্তু অনুসৰি শ্ৰেণী-বিভাজন দেখুৱাই আলোচনা কৰাঁ। ১+২+৭=১০

*নাইবা*

(খ) "বৰগীতবোৰ ওখ নৈতিক আৰু আধ্যাত্মিক ভাৱৰ ওপৰত প্ৰতিষ্ঠিত।" সমালোচকৰ এই মন্তব্যৰ আধাৰত শঙ্কৰদেৱৰ গীতৰ বিচাৰ কৰা। ১০

৬। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ কৰিবাঁ :

(ক) 'ৰুক্মিণী-হৰণ' কাব্যত মূলৰ পৰা আঁতৰি আহি শঙ্কৰদেৱে কিদৰে মৌলিক প্ৰতিভাৰ স্বাক্ষৰ ৰাখিবলৈ সক্ষম হৈছে, আলোচনা কৰাঁ। ১০

(খ) অঙ্কীয়া নাট সৃষ্টিৰ ক্ষেত্ৰত শঙ্কৰদেৱে ক'ৰ ক'ৰ সমল লৈছিল, আলোচনা কৰাঁ। ১০

(গ) 'পাৰিজাত হৰণ' নাটৰ মূল কি? নাটৰ বিষয়বস্তু উপস্থাপনত শংকৰদেৱে কিবা নিজস্ব ৰহণ চৰাইছে নেকি, আলোচনা কৰাঁ। ১০

## খ—শাখা

### ( লক্ষ্মীনাথ বেজবৰুৱা )

১। তলৰ প্ৰশ্নবোৰৰ অতি চমুকৈ উত্তৰ কৰিবাঁ : ১×১০=১০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা-পুথি কেইখন ?

(খ) 'ধনবৰ আৰু ৰতনী' কোন শ্ৰেণীৰ কবিতা ?

(গ) বেজবৰুৱাৰ প্ৰথম গল্প কোনটো ?

(ঘ) 'সুৰভি' গল্প-পুথিখনৰ প্ৰথম সংস্কৰণটো কিমান চনত প্ৰকাশ পাইছিল ?

(ঙ) 'গীতা' নামৰ চুটিগল্পটো বেজবৰুৱাৰ কোনখন গল্প-পুথিত সন্নিৱিষ্ট হৈছে ?

(চ) কৃপাবৰ বৰুৱা কোন ?

(ছ) কৃপাবৰী ৰচনাখিনি কোন শ্ৰেণী সাহিত্যত পৰে ?

(জ) বেজবৰুৱাৰ কোনটো কবিতাত আইৰিছ কবি জৰ্জ ডাৰ্লিৰ কবিতাৰ প্ৰভাৱ আছে ?

(ঝ) প্ৰেমৰ ব্যঙ্গাত্মক ৰূপ প্ৰকাশ পোৱা বেজবৰুৱাৰ এটা কবিতাৰ নাম লিখাঁ।

(ঞ) 'বলে নোৱাৰা সুদৰ্শন' শীৰ্ষক কবিতাটোৰে বেজবৰুৱাৰ কোনটো কবিতাক বুজায় ?

২। চমুকৈ উত্তৰ কৰিবাঁ : ২×৫=১০

(ক) ‘গীতা’ গল্পৰ কয়দীজনৰ নাম কি আৰু তেওঁৰ ঘৰ ক’ত?

(খ) ‘মাধৈ মালতী’ গল্পত থকা মুনচুপজনৰ নামটো কি আৰু সৰুতে তেওঁ কেনে আছিল?

(গ) ‘প্ৰিয়তমাৰ সৌন্দৰ্য’ত প্ৰকাশ পোৱা দুটা ৰোমাণ্টিক বৈশিষ্ট্য দাঙি ধৰাঁ।

(ঘ) ‘চকুৰ ফেচকুৰি ধুই অসমীয়া’ নামৰ পংক্তিটো বেজবৰুৱাৰ কোনখন গ্ৰন্থত সন্নিৱিষ্ট হৈছে আৰু এই কবিতাটোৰ নাম কি?

(ঙ) ‘চোৰ’ গল্পৰ চোৰজনৰ নাম কি আৰু তাৰ বাপেকৰ নাম কি আছিল?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰিবাঁ : ৫×৪=২০

(ক) ‘জয়ন্তী’ গল্পত ফুটি উঠা মানৰ নিৰ্যাতনৰ ছবিখন তোমাৰ নিজৰ ভাষাৰে দাঙি ধৰাঁ।

(খ) পৰকীয়া প্ৰেমৰ ছবি প্ৰকাশ পোৱা ‘চোৰ’ গল্পৰ কথাখিনি চমুকৈ উল্লেখ কৰাঁ।

(গ) ‘বন্দে মাতৰম্’ নামৰ প্ৰবন্ধটোৰ মাজেৰে স্বদেশপ্ৰেমৰ চিত্ৰ কিদৰে ফুটি উঠিছে, আলোচনা কৰাঁ।

(ঘ) ‘মালতী’ কবিতাৰ মাজত ৰোমাণ্টিক ভাবাদৰ্শৰ কি কি বৈশিষ্ট্য বিচাৰি পোৱা যায়, উল্লেখ কৰাঁ।

(ঙ) 'ধনবৰ আৰু ৰতনী'ৰ মূল কথাখিনি তোমাৰ নিজৰ ভাষাৰে দাঙি ধৰা।

(চ) 'কৃপাবৰ বৰুৱাৰ ওভতনি'ত সন্নিৱিষ্ট 'বসন্ত' নামৰ কবিতাটোৰ মাজেৰে বসন্তকালৰ কি বিৱৰণ দিছে, বিশ্লেষণ কৰাঁ।

(ছ) 'বীণ আৰু ব'ৰাগী' কবিতাত বেজবৰুৱাৰ আশাবাদৰ চিত্ৰ কিদৰে অভিব্যক্ত হৈছে, লিখাঁ।

৪। (ক) 'আমালৈ নাপাহৰিব' গল্পটোৰ মাজেৰে গল্পকাৰে নাৰী ব্যৱসায়ৰ ছবিখন কিদৰে দাঙি ধৰিছে, গল্পটোৰ আধাৰত এক বিশ্লেষণ আগবঢ়োৱাঁ। ১০

*নাইবা*

(খ) 'কন্যা' গল্পটোৰ মাজেৰে নাৰীৰ পবিত্ৰ প্ৰেমৰ চিত্ৰ কিদৰে ফুটি উঠিছে, আলোচনা কৰাঁ।

৫। (ক) 'বাপিৰাম' গল্পত বাপিৰামৰ ব্যক্তিত্বৰ মহানুভৱতা কিদৰে ফুটাই তুলিছে, বিশ্লেষণ কৰাঁ। ১০

*নাইবা*

(খ) 'লাওখোলা' গল্পটোত নাৰী নিৰ্যাতনৰ চিত্ৰ কিদৰে দাঙি ধৰিছে, আলোচনা কৰাঁ।

৬। (ক) 'মালতী' আৰু 'ভ্ৰম' কবিতাত ৰমণ্যাসিক প্ৰেমৰ চিত্ৰ কিদৰে চিত্ৰিত হৈছে, ৰমণ্যাসিক বৈশিষ্ট্যৰ আধাৰত বিচাৰ কৰাঁ। ১০

*নাইবা*

(খ) 'প্ৰিয়তমাৰ সৌন্দৰ্য' নামৰ কবিতাটোত কোনগৰাকী পাশ্চাত্য কবিৰ কবিতাৰ প্ৰভাৱ আছে, সেইটো বিচাৰ কৰি কবিতাটোৰ আলঙ্কাৰিক ৰূপৰ প্ৰয়োগৰ বিচাৰ কৰা৺।

৭। (ক) 'ওভতনি'ত সন্নিৱিষ্ট 'ভাৰত উদ্ধাৰ' প্ৰবন্ধটোত ভাৰত উদ্ধাৰ কৰাৰ বাবে কৃপাবৰে কি কি নিবন্ধন দিছে, আলোচনা কৰা৺। ১০

*নাইবা*

(খ) 'ওভতনি'ৰ অন্তৰ্গত 'অৱতাৰ' প্ৰবন্ধৰ কথাখিনি তোমাৰ নিজৰ ভাষাৰে দাঙি ধৰা৺।

* * *